**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-10-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ ৰোধ কৰাৰ বাবে তাৎক্ষণিক আৰু কঠোৰ পদক্ষেপ লোৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

২। ছিচিলিৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হৰ্মিনিৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে যোৱা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে দেশখনৰ ভ্ৰমণ সামৰি আজি পুৰা কয়ম্বাটুৰলৈ উভতি আহে।

৩। ভাৰতৰ স্মাৰ্ট ফোন ৰপ্তানিয়ে যোৱা মাহত অভিলেখ সংখ্যক ১৮০ কোটি স্পৰ্শ কৰিছে বুলি কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৪। কুৰি সংখ্যক পূব এছিয়া শীৰ্ষ সন্মিলনত শান্তি আৰু সুস্থিৰতাৰ সংকল্পৰে কুৱালালামপুৰ ঘোষণা পত্ৰ গৃহীত হৈছে।

আৰু

৫। মোন্থা নামৰ ঘূৰ্ণী বতাহজাকে তীব্ৰতৰ ৰূপ ধাৰণ কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ ৰোধ কৰাৰ বাবে তাৎক্ষণিক আৰু কঠোৰ পদক্ষেপ লোৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁট আই এছ্ এৰ সভাৰ অষ্টম সত্ৰত মূল ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সমগ্ৰ বিশ্ব এই এই সমস্যাৰ দ্বাৰা প্ৰভাৱিত হৈছে। তেওঁ কয়, যে জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ ৰোধ কৰাৰ বাবে ভাৰত প্ৰতিশ্ৰুতিবদ্ধ আৰু দেশখনে এই দিশত ইতিমধ্যে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, যে ভাৰত আৰু বিশ্বৰ সভ্যতাসমূহে পুৰণিকালৰে পৰা সূৰ্যক জীৱন আৰু শক্তিৰ মূল উৎস হিচাপে গণ্য কৰি আহিছে। চৰকাৰৰ সকলোৰে বাবে সৌৰ শক্তি উদ্যমৰ বিষয়ে আলোকপাত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে সূৰ্য আটাইৰে বাবে সহজলভ্য শক্তিৰ আটাইতকৈ গণতান্ত্ৰিক উৎস আৰু এই উৎস গৰাকীবিহীন বুলি থকা ধাৰণাৰ ভিত্তিতে এই উদ্যম গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয়, যে বৃহৎ পৰিসৰত সৌৰ শক্তিৰ উৎপাদনে শক্তিৰ ব্যৱহাৰৰ গণতান্ত্ৰিকীকৰণৰ পথ প্ৰশস্ত কৰিব আৰু ইয়াৰ ফলত নাগৰিকসকল নিকা সেউজ আৰু পক্ষপাতহীন পৃথিৱী গঢ়াৰ প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণকাৰী হ'ব পাৰিব।

নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশী আৰু আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁটৰ সঞ্চালকপ্ৰধান আশীষ খান্নাইও অনুষ্ঠানত ভাগ লয়। বিশ্বৰ প্ৰায় ১২৪ খন দেশ আৰু ৪০ গৰাকীৰো অধিক মন্ত্ৰীয়ে এই আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানত অংশ গ্ৰহণ কৰিছে।

০০০০০০০০০

ছিচিলিৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি ডং পেট্ৰিক হৰ্মিনিৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে যোৱা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে দেশখনৰ ভ্ৰমণ সামৰি আজি পুৱা কয়ম্বাটুৰলৈ উভতি আহে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এটা বিবৃতিত এই বুলি কোৱা হৈছে যে ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ছিচিলিৰ ৰাষ্ট্ৰপতি ডং পেট্ৰিক হৰ্মিনি আৰু উপ-ৰাষ্ট্ৰপতি ছেবেষ্টিয়ান পিল্লেইক সাক্ষাৎ কৰে। আলোচনাকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতে অঞ্চলসমূহৰ অঞ্চলসমূহৰ সুৰক্ষা আৰু বিকাশৰ বাবে পাৰস্পৰিক তথা সামগ্ৰিক উন্নয়ন অৰ্থাৎ মহাসাগৰ দৃষ্টিভংগীৰ অধীনত ছিচিলিৰ সৈতে থকা সম্পৰ্কত গুৰুত্ব আৰোপ কৰি আহিছে। বৈঠকত দেশ দুখনৰ মাজত বহুমুখী দ্বিপাক্ষিক সহযোগিতা অধিক সুদৃঢ় কৰাৰ বিষয়ে গুৰুত্ব দিয়া হয়। ভ্ৰমণকালত চি পি ৰাধাকৃষ্ণনে মৰিছাছৰ প্ৰধানমন্ত্ৰী ডং নবীনচন্দ্ৰ ৰামগুলামকো সাক্ষাৎ কৰে। ছিচিলিত বাস কৰা প্ৰবাসী ভাৰতীয়সকলে আয়োজন কৰা এটা সমূহীয়া অভ্যৰ্থনাত অংশগ্ৰহণ কৰি শ্ৰী ৰাধাকৃষ্ণনে দুয়োখন দেশৰ মাজৰ সাংস্কৃতিক আৰু জন সম্পৰ্ক গভীৰ কৰি তোলাত তেওঁলোকৰ ভূমিকাৰ শলাগ লয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে ভাৰত আৰু ছিচিলিয়ে একেধৰণৰ গণতন্ত্ৰ আৰু বহুত্ববাদৰ সমূহীয়া

প্ৰমূল্যৰাজি অনুসৰণ কৰি আহিছে আৰু দেশদুখনৰ মাজত পুৰণি কালৰে পৰা ঘনিষ্ঠ সম্পৰ্ক আছে। কেন্দ্ৰীয় চৰকাৰে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে ৰাষ্ট্ৰপতি ডঃ পেট্ৰিক হৰ্মিনি নেতৃত্বাধীন নতুন চৰকাৰখনৰ সৈতে কাম কৰিবলৈ আগ্ৰহেৰে বাট চাই আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০০০০০

ভাৰতৰ স্মাৰ্ট ফোন ৰপ্তানিয়ে যোৱা মাহত অভিলেখ সংখ্যক ১৮০ কোটি স্পৰ্শ কৰিছে বুলি কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ্‌ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন দৈনিক বাতৰি কাকতৰ এটা প্ৰৱন্ধ শ্বেয়াৰ কৰি মন্ত্ৰীগৰাকীয়ে আজি কয়, যে ভাৰতৰ পৰা ৰপ্তানি হোৱা সকলো বস্তুৰ ভিতৰত বৈদ্যুতিন সামগ্ৰী তৃতীয় স্থানত আছে। শ্ৰী বৈষ্ণৱে কয়, যে দেশত বৈদ্যুতিন যন্ত্ৰাংশৰ নিৰ্মাণ আৰম্ভ হোৱাৰ পাছৰেপৰা খণ্ডটোত কৰ্ম সংস্থাপনৰ হাজাৰ হাজাৰ সুযোগ সৃষ্টি হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মুম্বাইত সামুদ্ৰিক নেতাসকলৰ সন্মিলনত ভাষণ দিব। এই উপলক্ষে শ্ৰীমোদীয়ে ভাৰতীয় সামুদ্ৰিক সপ্তাহ ২০২৫ত বিশ্ব সামুদ্ৰিক মুখ্য কাৰ্যবাহী বিষয়া মঞ্চৰ বৈঠকত অধ্যক্ষতা কৰিব। এই কাৰ্যসূচীয়ে প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীক কাৰ্যলৈ পৰিণত কৰাৰ বাবে বিশ্বৰ আগশাৰীৰ দেশসমূহৰ অংশীদাৰসকলক একত্ৰিত কৰাৰ এখন মঞ্চ প্ৰদান কৰিব। ৮৫ খনৰো অধিক ৰাষ্ট্ৰৰ এক লাখৰো অধিক প্ৰতিনিধি আৰু ৩৫০ গৰাকীৰো অধিক আন্তঃৰাষ্ট্ৰীয় বক্তাই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০০

কুৰি সংখ্যক পূব এছিয়া শীৰ্ষ সন্মিলনত শান্তি আৰু সুস্থিৰতাৰ সংকল্পৰে কুৱালালামপুৰ ঘোষণা পত্ৰ গৃহীত হৈছে। কুৱালালামপুৰত অনুষ্ঠিত শীৰ্ষ সন্মিলনত এই ঘোষণাপত্ৰ গ্ৰহণ কৰা হয়। ঘোষণাপত্ৰত ৰাজনৈতিক কৌশলগত আস্থাৰ প্ৰসাৰ আৰু আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ ক্ষেত্ৰত স্বচ্ছতা আৰু দায়িত্বশীল আচৰণ সুনিশ্চিত কৰাৰ বাবে অংশগ্ৰহণকাৰী দেশসমূহৰ সৈতে সহযোগিতা বৃদ্ধি কৰিবলৈ আহ্বান জনোৱা হৈছে। ঘোষণা পত্ৰত লগতে আঞ্চলিক বিকাশমূলক সহযোগিতা সুৰক্ষা নীতি, দুৰ্যোগ ব্যৱস্থাপনা আৰু পৰিৱৰ্তনশীল আঞ্চলিক পৰিকাঠামোৰ বিষয়ে আলোচনা কৰাত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। ৬ নৱেম্বৰত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে এন ডি এ আৰু মহা মিত্ৰজোঁটৰ অংশীদাৰ দলসমূহে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। বিধানসভা নিৰ্বাচনৰ বাবে মহা মিত্ৰজোঁটৰ ইস্তাহাৰ প্ৰকাশৰ পূৰ্বে আৰ জে ডিৰ নেতা তেজস্বী যাদৱে আজি এন ডি এৰ দৃষ্টিভংগী কাৰ্যসূচী আৰু মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ নামক লৈ প্ৰশ্ন উত্থাপন কৰে।

০০০০০০০০০

চৌদি আৰবৰ ৰাজধানী ৰিয়াধত থকা ভাৰতীয় দূতাবাসে আজিৰেপৰা তৃতীয় 'প্ৰবাসী পৰিচয়' শীৰ্ষক সাংস্কৃতিক মহোৎসৱৰ আয়োজন কৰিছে। তিনি নৱেম্বৰত সামৰণি পৰিবলগীয়া এই সাংস্কৃতিক মহোৎসৱত ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব। ২০২৩ চনত প্ৰথমবাৰৰ বাবে এই মহোৎসৱৰ আয়োজন কৰা হৈছিল। এই মহোৎসৱৰ সময়ত চৌদি আৰৱত বাস কৰা প্ৰবাসী ভাৰতীয়সকলে শাস্ত্ৰীয় নৃত্য, সংগীত, লোককলা আৰু ব্যঞ্জন পৰম্পৰাৰ সৈতে জড়িত বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এইবেলি এই মহোৎসৱত ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰম্পৰাগত সংস্কৃতিৰ লগতে গীতা মহোৎসৱৰ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০০০

মোন্থা নামৰ ঘূৰ্ণী বতাহজাকে তীব্ৰতৰ ৰূপ ধাৰণ কৰিছে। ইয়াৰ ফলত অন্ধ্ৰপ্ৰদেশৰ উপকূলভাগত প্ৰতি ঘণ্টাত ৯০ৰ পৰা ১০০ কিলোমিটাৰ বেগেৰে বতাহ বলিছে আৰু ধাৰাসাৰ বৰষুণ দি আছে। এই বতাহজাকে আজি শেষ নিশালৈ মছলিপট্টনম আৰু কলিংগ পট্টনমৰ মাজত কাকিনাড়াৰ সমীপত খুন্দা মৰাৰ সম্ভাৱনা আছে। ধুমুহা জাকৰ প্ৰভাৱত শ্ৰী কাকুলম, বিজয়া নগৰম, বিশাখা পট্টনম, অনাটাপল্লি, পূব গোদাবৰী, কোনছিমা, কাকিনাড়া, কৃষ্ণা, নেল্লোৰ আৰু প্ৰকাছম জিলাত ধাৰাসাৰ বৰষুণৰ সৈতে বতাহ বলিছে। কেইবাটাও পথ বাঢ়নি পানীয়ে বুৰাই পেলাইছে আৰু ইয়াৰ ফলত দ এলেকাসমূহত যান-বাহন চলাচল ব্যাহত হৈছে। প্ৰায় এহেজাৰ

৪০০ খন গাঁও আৰু ৪৪ খন চহৰ ধুমুহাজাকৰ ফলত প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে। প্ৰশাসনে বিপদৰ আশংকালৈ চাই কেইবাখনো জিলাত অ'ৰেঞ্জ আৰু য়েল্ল' এলাৰ্ট জাৰি কৰিছে। বিশাখাপট্টনম, অনাকাপল্লি আৰু পশ্চিম গোদাবৰীৰ বতৰ অতিকৈ বেয়া হৈছে। প্ৰভাৱিত এলেকাসমূহৰ বিদ্যালয়-মহাবিদ্যালয়সমূহ দুদিনলৈ বন্ধ ৰখা হৈছে। সেই অঞ্চলসমূহৰ ৰে'ল আৰু বিমান সেৱাসমূহো বাতিল কৰা হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এম চন্দ্ৰবাবু নাইডুৱে পৰিস্থিতি ব্যক্তিগতভাৱে নিৰীক্ষণ কৰি আছে আৰু বিষয়াসকলক ছেটেলাইট ফোন আৰু ম'বাইল টাৱাৰৰ জৰিয়তে অবিৰত যোগাযোগ বৰ্তাই ৰাখিবলৈ নিৰ্দেশ দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে টেলিফোনযোগে কথা পাতিছে আৰু উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱক-যুৱতীসকলক বিকশিত ভাৰত কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত শ্ৰীমোদীয়ে কয়, যে ৰাষ্ট্ৰ গঠনৰ দিশত অৰিহণা আগবঢ়োৱাৰ ক্ষেত্ৰত দ্বিতীয় **বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা** এটা উত্তম সুযোগ। তেওঁ কয়, যে যুৱক-যুৱতীসকলৰ ধাৰণা আৰু অন্তৰ্দৃষ্টি, বিকশিত ভাৰত গঠনৰ পথ প্ৰশস্ত কৰিব পাৰে। জনসাধাৰণে অহা ৩১ অক্টোবৰ পৰ্যন্ত এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে নাম পঞ্জীয়ন কৰিব পাৰিব। অহা ১০ৰ পৰা ১২ জানুৱাৰীলৈ বিকশিত ভাৰত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত